**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং -১৩৩**
**উত্তৰ দানৰ তাৰিখ-১৪/৭/২০২৬**

**বিষয় : আহোম যুগৰ দগা যুঁজ ক্ষেত্ৰ সংৰক্ষণ আৰু উন্নয়ন**

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, বিধায়ক।**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ৯৩ নং সোণাৰি বিধান সভা সমষ্টিৰ অন্তৰ্গত সোণাৰি নগৰৰ সমীপৱৰ্তী ভজো বৰগীগুৰিত অৱস্থিত আহোম যুগৰ ঐতিহাসিক দগা যুঁজ ক্ষেত্ৰ (সৈন্য বাহিনীৰ যুদ্ধ প্ৰশিক্ষণস্থলী) সম্পৰ্কে চৰকাৰৰ হাতত তথ্য আছে নেকি?

(খ) উক্ত ঐতিহাসিক স্থানটোক সংৰক্ষণ, উন্নয়ন আৰু পৰ্য্যটনস্থলী হিচাপে গঢ়ি তোলাৰ বাবে পৰ্য্যটন বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(গ) এই দগা যুঁজ ক্ষেত্ৰৰ মাটিকালি কিমান?

(ঘ) আহোম যুগৰ ঐতিহ্য বহনকাৰী এই ঐতিহাসিক স্থানটোক সংৰক্ষণ কৰি ৰাজ্যৰ পৰ্য্যটন মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি?

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিৱ:-**

(ক) প্ৰত্নতত্ব সঞ্চালকালয়ৰ পৰা পোৱা তথ্য অনুসৰি, ৯৩ নং সোণাৰি বিধান সভা সমষ্টিৰ অন্তৰ্গত সোণাৰি নগৰৰ সমীপৰ্ৱতী ভজো বগৰীগুৰিত অৱস্থিত আহোম যুগৰ ঐতিহাসিক দগা যুঁজ ক্ষেত্ৰ (সৈন্য বাহিনীৰ যুদ্ধ প্ৰশিক্ষণস্থলী), "অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু তথ্য অধীনিয়ম ১৯৫৯" আৰু "অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু তথ্য বিধি ১৯৬৪" মৰ্মে অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ অধীনত সংৰক্ষিত স্থান হিচাপে তালিকাভুক্ত কৰা হৈছে।

(খ) প্ৰত্নতত্ব সঞ্চালকালয়ৰ পৰা পোৱা তথ্য অনুসৰি উক্ত ঐতিহাসিক দগা যুঁজ ক্ষেত্ৰ (সৈন্য বাহিনীৰ যুদ্ধ প্ৰশিক্ষণস্থলী), “অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু তথ্য অধীনিয়ম ১৯৫৯” আৰু “অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু তথ্য বিধি ১৯৬৪” মৰ্মে অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ অধীনত সংৰক্ষিত স্থান হোৱা হেতু ইয়াৰ সংৰক্ষণ ,পুনৰুদ্ধাৰ, সৌন্দৰ্যবৰ্দ্ধন আদিৰ দায়িত্ব অসম ৰাজ্যিক পুৰাতত্ব বিভাগৰ অধীনত আৰু সেই অনুসৰি ২০১২-১৩ বিত্তীয় বৰ্ষত অসম চৰকাৰৰ অনুদান মৰ্মে লোহাৰ খুটাৰ সৈতে চাৰিসীমাৰ তাঁৰৰ বেৰ, দুৱাৰ আৰু নামফলকৰ কাম সম্পন্ন কৰা হৈছে।

পৰ্যটন বিভাগ, অসম চৰকাৰৰ দ্বাৰা এই ঐতিহাসিক দগা যুঁজ ক্ষেত্ৰৰ প্ৰচাৰৰ উদ্দ্যেশ্যে বিভাগীয় প্ৰচাৰ পত্ৰিকাত সন্নিৱিষ্ট কৰা হৈছে।

(গ) অসম চৰকাৰৰ ৰাজহ আৰু দূৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা পোৱা তথ্য অনুসৰি দগা যুঁজ ক্ষেত্ৰৰ মাটিকালি মুঠ ১২৪ বিঘা ৪ কঠা ৮ লেচা।

(ঘ) ভৱিষ্যতে আহোম যুগৰ ঐতিহ্য বহনকাৰী এই ঐতিহাসিক স্থানটোক সংৰক্ষন, উন্নয়ণ আৰু পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ বাবে এই স্থানৰ গাঁথনিগত অখণ্ডতা অক্ষুণ্ণ ৰাখি পৰ্যটন উন্নয়নৰ সৈতে জড়িত যিকোনো পদক্ষেপ অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ সৈতে সমন্বয় সাধন কৰি, প্ৰচলিত আইন আৰু চৰকাৰী নীতি অনুসৰি বিবেচনা কৰা হ'ব।

**************

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly